গৌৰৱোজ্জ্বল অবিৰাম যাত্ৰাৰ ৰূপালী জয়ন্তী বৰ্ষ

দৈনিক গণ অধিকাৰ

মূক জনতাৰ মুক্ত কণ্ঠ

টী, সোমবাৰ, ১ জুলাই, ২০১৯ ■ ১৫ আহাৰ, ১৯৪১ শক ■ Guwahati, Vol. 9, No. 98, Monday, 1 July, 2019 ■ RNI No. 63550/95 ■

সংবাদমেলত উচ্চতম ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা মিহিৰ দেশাই

DAINIK GANA ADHIKAR - 01/07/19

# বিদেশী ন্যায়াধিকৰণৰ কাম-কাজ স্বচ্ছ নহয়



## বিদেশীৰ নামত সভ্যতাৰ অপমৃত্যুৰ অভিযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৩০ জুন ঃ** বিদেশী ন্যায়াধিকৰণৰ বিচাৰ প্ৰক্ৰিয়াক লৈ এইবাৰ সৰৱ হৈ পৰিছে উচ্চতম ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা মিহিৰ দেশাই। বিদেশী ন্যায়াধিকৰণৰ এক পক্ষীয় ৰায়ৰ জৰিয়তে সভ্যতাৰ অপমৃত্যু ঘটোৱা হৈছে। প্ৰয়োজনীয় নথি-পত্ৰ থকা সত্ত্বেও ব্যাপক সংখ্যক লোকক একপক্ষীয়ভাৱে বিদেশী ঘোষণা কৰা হৈছে। এই গুৰুতৰ অভিযোগ উত্থাপন কৰে উচ্চতম ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা মিহিৰ দেশাই। যোৱা ২৬ জুনৰ পৰা মহিৰগাঁও, নগাঁও, বিজনী আৰু চিৰাং জিলাৰ বৃহত্তৰ অঞ্চল পৰিভ্ৰমণ কৰি বিদেশী ঘোষিত তথা ডি-ভোটাৰৰ আতংক লৈ দুৰ্বিষহ জীৱন-যাপন কৰি থকা লোকসকলৰ সৈতে মত বিনিময় কৰাৰ অন্তত আজি গুৱাহাটীত এক সংবাদমেল অনুষ্ঠিত কৰি সমস্ত প্ৰক্ৰিয়াটোক লৈ ক্ষোভ ব্যক্ত কৰে। উচ্চতম ■ ১০ পৃষ্ঠাত

# বিদেশী ন্যায়াধিকৰণৰ

ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা তথা মানৱ অধিকাৰ কৰ্মী দেশাইয়ে কয় যে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ চমুকৈ এনআৰচি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত বহু সময়ত সাংবিধানিক নীতি-নিয়ম উলংঘা কৰা হৈছে। যাৰ পৰিপ্ৰেক্ষিতত সৰ্বসাধাৰণ ৰাইজ প্ৰতিমুহূৰ্তত সমস্যাৰ সন্মুখীন হৈছে। চূড়ান্ত এনআৰচি প্ৰকাশ কৰাৰ বাবে নিৰ্ধাৰিত সময় ধাৰ্য কৰাৰ ফলত এনআৰচি সেৱা কেন্দ্ৰ আৰু বিদেশী ন্যায়াধিকৰণৰ সদস্যসকলে নিৰ্ধাৰিত লক্ষ্য দিনত সকলো কাম শেষ কৰিবলৈ বিভিন্ন সময়ত বিসংগতি তথা খেলি-মেলিৰ আশ্ৰয় লৈছে। পূৰ্বে নিৰ্ধাৰণ কৰা দিনটোত চূড়ান্ত এনআৰচি প্ৰকাশৰ বাবে বিদেশী ন্যায়াধিকৰণৰ একাংশ সদস্যই বিচাৰ প্ৰক্ৰিয়া খৰতকীয়া কৰাৰ ফলত সংঘটিত খেলি-মেলিৰ বাবে সংখ্যালঘু জনসাধাৰণ আৰু একেবাৰে দৰিদ্ৰ শ্ৰেণীৰ লোকৰ মাজত আতংকই গভীৰ মানৱীয় সংকটৰ জন্ম দিছে। মানৱ অধিকাৰ কৰ্মীগৰাকীয়ে লগতে কয় যে বিদেশী ন্যায়াধিকৰণৰ কাম-কাজে একাংশ লোকৰ মাজত গভীৰ হতাশাৰ জন্ম দিছে। ন্যায়াধিকৰণৰ কৰ্ম-কৰ্তাসকল আৰু যিসকল পুৰুষ-মহিলাই এফটি পৰিচালনা কৰে তেওঁলোকৰ এটা ন্যায় প্ৰদানসুলভ মন থকা উচিত। লগতে ন্যায়িক মনোভাৱেৰে পৰিচালিত মানসিকতা আৰু ন্যায়িক প্ৰশিক্ষণ থকাৰ দৰকাৰ বুলিয়ো তেওঁ উল্লেখ কৰে। তেওঁ লগতে আন এক প্ৰসংগ উত্থাপন কৰি কয় যে বিদেশী ন্যায়াধিকৰণৰ কাম-কাজবোৰ স্বচ্ছ নহয়। ন্যায়াধিকৰণৰ কাম-কাজ জনসাধাৰণৰ চকুৰ আগত স্পষ্ট নহয়। ইয়াৰ ফলত ন্যায়াধিকৰণৰ কাম-কাজৰ গোটেই প্ৰক্ৰিয়াটোৱে একাংশ লোকক স্পৰ্শকাতৰ কৰি তোলাৰ লগতে বিদেশী ন্যায়াধিকৰণৰ বিৰুদ্ধে পক্ষপাতিত্ব আৰু অসংবেদনশীল বুলি অভিযোগ আনিবলৈ বাধ্য হৈছে। বিগত দুটা দিন বিভিন্ন অঞ্চল পৰিভ্ৰমণ কৰি ভুক্তভোগীসকলৰ সৈতে মত বিনিময় কৰাৰ অন্তত বহু তথ্য পোহৰলৈ আহিছে বুলি উল্লেখ কৰি কয় যে বিদেশী ন্যায়াধিকৰণে বিদেশী ঘোষণা কৰা অধিকাংশই ভাৰতীয়। ভাৰতীয় হিচাপে সকলো ধৰণৰ তথ্য-পাতি থকাৰ পিছতো বিদেশীৰ কলংক লৈ জীয়াই থাকিবলগীয়া হৈছে। এইক্ষেত্ৰত দৰিদ্ৰতাই প্ৰধান হেঙাৰ হিচাপে থিয় দিছে বুলি উল্লেখ কৰি মানৱ অধিকাৰ কৰ্মীগৰাকীয়ে আৰু কয় যে দৈনিক ৫০ টকা উপাৰ্জন কৰা লোকজনে কিদৰে আইনী প্ৰক্ৰিয়া চলাই নিব। আৰ্থিক দৈন্যতাত ভুগি এইসকল সাধাৰণ খাটি খোৱা লোকে একপক্ষীয় ৰায়ৰ বলি হ'বলগীয়া হৈছে। এনআৰচিৰ শেহতীয়া কাম-কাজৰ বাবেই ইতিমধ্যে ৫২জন লোকে প্ৰাণ হেৰুৱাবলগা হৈছে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ লগতে আৰু কয় যে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাৱলী কঠোৰভাৱে বলৱৎ হ'ব লাগে। ন্যায়িক ব্যৱস্থা আৰু কাৰ্যবাহী উভয়ে অসমত শেহতীয়াকৈ সৃষ্টি হোৱা সংকটক লৈ উপলব্ধি কৰাৰ প্ৰয়োজন হৈ পৰিছে বুলিয়ো তেওঁ উল্লেখ কৰে। মন কৰিবলগীয়া যে চিটিজেন ফৰ জাষ্টিচ এণ্ড পিচ চমুকৈ চিজেপিৰ উদ্যোগত যোৱা ২৬ জুনৰ পৰা উচ্চতম ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা মিহিৰ দেশাই, জ্যেষ্ঠ অধিবক্তা বৃন্দা গ্ৰোভাৰ, জ্যেষ্ঠ সাংবাদিক কল্পনা শৰ্মা, চিজেপিৰ সম্পাদক টিষ্টা চেটালভাদ সহ এটা প্ৰতিনিধি দলে মৰিগাঁও, নগাঁও, বিজনী আৰু চিৰাঙৰ বৃহত্তৰ অঞ্চলত এনআৰচিৰ পৰা বাদ পৰা কিম্বা বিদেশী ঘোষিত আৰু ডি-ভোটাৰৰ আতংকত ককবকাই থকা লোকসকলৰ সৈতে মত বিনিময় কৰে। বৃহত্তৰ অঞ্চল পৰিভ্ৰমণ কৰি প্ৰতিনিধি দলটোৱে এনআৰচি প্ৰস্তুত কৰাৰ নামত সাংবিধানিক নীতি-নিয়ম উলংঘা কৰাই নহয় বিদেশী ন্যায়াধিকৰণৰ কেতবোৰ একপক্ষীয় ৰায়ক লৈয়ো আজি ক্ষোভ ব্যক্ত কৰে। উক্ত সংবাদমেলত উক্ত সংবাদমেলটোৰ সম্পাদক টিষ্টা চেটালভাদে মন্তব্য কৰি কয় যে বহুক্ষেত্ৰত মানৱ অধিকাৰ উলংঘন কৰা হৈছে। বহুলোকৰ নাম এনআৰচিৰ খচৰাত অন্তৰ্ভুক্ত হৈছিল। কিন্তু ভাৰতীয় হিচাপে সকলো ধৰণৰ নথি-পত্ৰ থকাৰ পিছতো যোৱা ২৬ জুনত প্ৰকাশিত কৰ্তন তালিকাত তেওঁলোকৰ নাম অন্তৰ্ভুক্ত হয়। সেইসকল ভুক্তভোগীয়ে কেতিয়াও বাংলাদেশ দেখা নাই, দীৰ্ঘবছৰ ধৰি ভাৰত কিম্বা অসমতে বসবাস কৰি থকাৰ পিছতো এতিয়া বিদেশীৰ অপবাদ ল'বলগীয়া হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে বিদেশী ন্যায়াধিকৰণে যিধৰণে ৰায় প্ৰদান কৰিছে, সেইক্ষেত্ৰত সাধাৰণ জনতাৰ মাজত বিশেষ প্ৰভাৱ পেলাইছে। ন্যায়াধিকৰণে যি হাৰত বিদেশী ঘোষণা কৰিছে সেইক্ষেত্ৰত সভ্যতাৰ অপমৃত্যু ঘটোৱা হৈছে। বিদেশীৰ গোচৰসমূহৰ বিচাৰ প্ৰক্ৰিয়াৰ সময়ত সাংবাদিকৰ প্ৰৱেশত নিষিদ্ধ জাৰি কৰা হৈছে। এইক্ষেত্ৰত সমস্ত প্ৰক্ৰিয়াটো স্বচ্ছতাৰে হ'ব লাগে। বহুক্ষেত্ৰত বিদেশী ন্যায়াধিকৰণৰ সদস্যসকলৰ অভিজ্ঞতাক লৈয়ো প্ৰশ্ন উত্থাপন হৈছে বুলি উল্লেখ কৰি তেওঁ আৰু কয় যে বিদেশী ন্যায়াধিকৰণত যিসকলক বহুৱা হয় তেওঁলোকৰ ন্যায়িক অভিজ্ঞতা থকাৰ দৰকাৰ। প্ৰতিটো বিদেশী ন্যায়াধিকৰণক এটা লক্ষ্য বান্ধি দিয়া হয়। যদি বেছি সংখ্যক বিদেশী ঘোষণা কৰিব পাৰে সেইসকলক সদস্যক চাকৰিৰ কাৰ্যকাল বৃদ্ধি কৰা হয়। এনেধৰণৰ মানসিকতাৰ বাবেই এতিয়া বিচাৰ প্ৰক্ৰিয়াত পক্ষপাতিত্বৰ সৃষ্টি হৈছে। বিদেশী ন্যায়াধিকৰণৰ সময়ত ন্যায়িক বিষয়া থকাৰ লগতে সাংবাদিকৰ দল উপস্থিত থকাটো দৰকাৰ বুলিয়ো তেওঁ উল্লেখ কৰে। খৰখেদাকৈ বিচাৰ প্ৰক্ৰিয়াৰ জৰিয়তে মানুহৰ অধিকাৰ কাঢ়ি নিয়া হৈছে। ভুক্তভোগীসকলৰ অধিকাংশই বিবাহিত মহিলা। অসম চুক্তিৰ ভিত্তিত নাগৰিকপঞ্জী প্ৰস্তুত হ'ব লাগে। অসম চুক্তিত পূৰ্বে অহা বহু লোক এতিয়া বিদেশীৰ কলংক লৈ জীয়াই থকাটো দুখজনক বুলি উল্লেখ কৰে। আজিৰ সংবাদমেলত ব্ৰহ্মপুত্ৰ ভেলী চিভিল ছ'চাইটীৰ কাৰ্যকৰী সভাপতি আব্দুল বাতিন খন্দকাৰ, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা আব্দুৰ ৰহিম শিকদাৰ, জাষ্টিচ ফৰামৰ নেতা মতিউৰ ৰহমান, চিজেপিৰ সাধাৰণ সম্পাদক জমশ্বেৰ আলি উপস্থিত থাকে।